DAILY ASSAM

## ২৬। প্ৰত্যক্ষ আৰু পৰোক্ষ উক্তি*

২৬ ঃ ১ মানুহে মানুহৰ আগত সদায় বাক্য উচ্চাৰণ কৰি সুখ-দুখ, অভাৱ-অভিযোগ, আশা-আকাংক্ষা আদি মনোভাব প্ৰকাশ কৰি কথা পাতে বা লিখিত উপায় জনায়। কওঁতাই কোৱা কথাখিনি হুবহু তেনেভাৱেই পুনৰ প্ৰকাশ কৰিলে প্ৰত্যক্ষ উক্তি (Direct Narration) বোলে।

কিন্তু কওঁতাই কোৱা কথাখিনি হুবহু তেওঁ কোৱা ধৰণে উক্তি নকৰি অইনৰ কথাৰে প্ৰকাশ কৰিলে নাইবা কথাখিনিৰ থূলমূল ভাবখিনিহে প্ৰকাশ কৰিলে পৰোক্ষ উক্তি (Indirect Narration) বোলে।

২৬ ঃ ২ কওঁতাৰ কথাখিনি হুবহু উক্তি কৰি উদ্ধাৰ (“”) চিনৰ মাজত ৰাখি প্ৰকাশ কৰা হয়। যথা—

তাই বীণাক ক'লে, “মই আজি স্কুললৈ নাযাওঁ। এই দৰখাস্তখন হেড্ মাষ্টৰক দিবি।”

শিক্ষকে ক'লে, “সদায় ব্যাকৰণ পঢ়িবাঁ। ব্যাকৰণ ভালকৈ জানিলেহে ভাষাটো আয়ত্ত কৰিব পাৰিবাঁ।”

মাকে ল'ৰাক ক'লে, “নিজৰ পাঠখিনি সদায় পঢ়িব লাগে। নিত্য পাঠ পঢ়ি-লিখি সাজু হৈ থকা ভাল ল'ৰাৰ কাম।”

২৬ ঃ ৩ পৰোক্ষ উক্তিত কওঁতাৰ কথাখিনি পুনৰ উক্তি কৰোঁতে সাধাৰণতে যে, বোলে, বুলি, হেনো আদি অব্যয় পদ ব্যৱহাৰ কৰা হয়। যথা—

শিক্ষকে সদায় ব্যাকৰণ পঢ়িবলৈ ক'লে।
শিক্ষকে ক'লে যে সদায় ব্যাকৰণ পঢ়িবাঁ।
ৰীণাই ক'লে যে তাইৰ পিতাক ঢুকাল।
ৰীণাই ক'লে যে তাইৰ পিতাক হেনো ঢুকাল।
ৰীণাই তাইৰ পিতাক ঢুকোৱা বুলি ক'লে।
ৰীণাই ক'লে বোলে তাইৰ পিতাক ঢুকাল।

২৬ ঃ ৪ পৰোক্ষ উক্তিত বাক্যৰ কৰ্তা আৰু কৰ্মৰ পুৰুষ অনুযায়ী অপ্ৰধান খণ্ডবাক্যৰ কৰ্তা, কৰ্মাদি কাৰকৰ পুৰুষ নিৰ্ণিত হয়।

---

* পুৰণি অসমীয়াত পৰোক্ষ আৰু প্ৰত্যক্ষ উক্তি আধুনিক ভাষাৰ দৰে নাছিল। প্ৰত্যক্ষ উক্তিয়েই 'বুলিবা' বা 'হেন বুলিবা' আদিৰ যোগেদি পৰোক্ষ কৰিছিল। যথা—

“এহি ছয় প্ৰশ্ন বুজাই কহা। হেন বুলিবা তোৰা যজ্ঞাদিত আকুল। কেমনে এতেক কথা শুনিবা।” (ভট্টদেৱ ; কথা ভাগৱত)

যি পুৰুষত তিনিলোক প্ৰকাশে বুলিবা কোন ভগৱন্ত তাক কহোঁ (ভট্টদেৱ)

(ক) প্ৰধান বাক্যৰ কৰ্তা প্ৰথম পুৰুষৰ হ'লে প্ৰত্যক্ষ উক্তিত থকা কৰ্তা পৰোক্ষ উক্তিৰ অপ্ৰধান খণ্ড বাক্যত কৰ্তা কৰ্মৰ অন্বয় মতে বহে। যথা—

মই ৰীণাক ক'লোঁ, "মই চিনেমা চাবলৈ যাম।"

পৰোক্ষ উক্তি — মই ৰীণাক ক'লোঁ যে মই চিনেমা চাবলৈ যাম।
বা, মই চিনেমা চাবলৈ যাম বুলি ৰীণাক ক'লোঁ।

প্ৰত্যক্ষ উক্তি (২) মই ৰীণাক ক'লোঁ, "তুমি চিনেমা চাবলৈ যাবা।"
পৰোক্ষ উক্তি— মই ৰীণাক ক'লোঁ যে তাই চিনেমা চাবলৈ যাব।
বা, ৰীণাই চিনেমা চাবলৈ যাব বুলি মই তাইক (ৰীণাক) ক'লোঁ।
বা, মই ৰীণাক ক'লোঁ যে তাই হোনো চিনেমা চাবলৈ যাব।

প্ৰত্যক্ষ উক্তি (৩) মই ৰীণাক ক'লোঁ, "ৰীণাৰ মাক ঢুকাল।"
পৰোক্ষ উক্তি— মই ৰীণাক ক'লোঁ যে বীণাৰ মাক ঢুকাল।
বা, মই ৰীণাক বীণাৰ মাক ঢুকাল বুলি ক'লোঁ।
বা, বীণাৰ মাক ঢুকাল বুলি মই ৰীণাক ক'লোঁ।
বা, বীণাৰ মাক হেনো ঢুকাল বুলি মই ৰীণাক ক'লোঁ।

(খ) প্ৰধান বাক্যৰ কৰ্তা দ্বিতীয় পুৰুষৰ হ'লে প্ৰত্যক্ষ উক্তিৰ কৰ্তা আৰু কৰ্মৰ অন্বয় মতে পৰোক্ষ উক্তিতো অপ্ৰধান খণ্ডবাক্যৰ কৰ্তা, কৰ্মাদি কাৰকৰ পুৰুষ হয়। যথা,

(১) তুমি মোক কৈছাঁ, "মই ভাত নাখাওঁ।"
পৰোক্ষ উক্তি— তুমি মোক কৈছাঁ যে তুমি ভাত নোখোৱাঁ।
বা, তুমি মোক ভাত নোখোৱা বুলি কৈছাঁ।

(২) তুমি কৈছাঁ, "এইজন বীণাৰ পিতাক।"
পৰোক্ষ উক্তি— তুমি কৈছাঁ যে সেইজন বীণাৰ পিতাক।
বা, সেইজন বীণাৰ পিতাক বুলি তুমি কৈছাঁ।

(৩) তুমি ক'লাঁ, "মোৰ দেউতাই সিহঁতক আম দিছে।"
পৰোক্ষ উক্তি— তুমি ক'লাঁ যে তোমাৰ দেউতাৰাই সিহঁতক আম দিছে।
বা, তোমাৰ দেউতাৰাই সিহঁতক আম দিছে বুলি তুমি ক'লাঁ।

(৪) তুমি মোক কৈছাঁ, "তাই তোমাক এখন কিতাপ দিছে।"
পৰোক্ষ উক্তি— তুমি মোক কৈছাঁ যে "তাই মোক এখন কিতাপ দিছে।"
বা, তাই মোক এখন কিতাপ দিছে বুলি তুমি কৈছাঁ।

(গ) প্ৰধান বাক্যৰ কৰ্তা তৃতীয় পুৰুষৰ হ'লে প্ৰত্যক্ষ উক্তিত থকা কৰ্তা আৰু কৰ্ম পৰোক্ষ উক্তিত কৰ্তা-কৰ্মৰ অন্বয় মতে হ'ব। যথা—

প্ৰত্যক্ষ উক্তি (১) সি মোক ক'লে, "মই তোমাক ভাল পাওঁ।"
পৰোক্ষ উক্তি— সি মোক ক'লে যে সি মোক ভাল পায়।
প্ৰত্যক্ষ উক্তি (২) ৰীণাই তোমাক ক'লে, "তুমি মোক ভাল পোৱাঁ।"

পৰোক্ষ উক্তি— ৰীণাই তোমাক ক'লে যে তুমি তাইক ভাল পোৱাঁ।
বা, ৰীণাক তুমি ভাল পোৱাঁ বুলি তাই তোমাক ক'লে।
প্ৰত্যক্ষ উক্তি (৩) ৰীণাই তোক ক'লে "তুমি মোক এটা কলম দিয়াঁ।"
পৰোক্ষ উক্তি— ৰীণাই তোক ক'লে যে তই তাইক এটা কলম দিব লাগে।
বা, ৰীণাই তাইক এটা কলম দিবলৈ বুলি তোক ক'লে।
বা, ৰীণাই তোক এটা কলম খুজিলে।

**২৬ ঃ ৫** ইচ্ছাবাচক, আজ্ঞাবাচক, সন্দেহবাচক বা প্ৰশ্নবাচক বাক্য যদি উক্তিত থাকে, তাক পৰোক্ষ উক্তিলৈ পৰিৱৰ্তন কৰোঁতে ভাবানুসৰি ক্ৰিয়া সংযোগ কৰিব লাগে। যথা—

**(ক) ইচ্ছাবাচক বাক্য ঃ**

(১) মাকে তাইক ক'লে, "ঈশ্বৰে তোমাৰ মংগল কৰক।"
মাকে তাইৰ মংগলৰ বাবে ঈশ্বৰক প্ৰাৰ্থনা জনালে।
বা, ঈশ্বৰে তাইৰ মংগল কৰক বুলি মাকে প্ৰাৰ্থনা জনালে।

(২) আইতাই নাতিয়েকক ক'লে, "ভালে কুশলে থাক।"
আইতাই নাতিয়েকক ভালে কুশলে থাকিবলৈ আশীৰ্বাদ কৰিলে।

**(খ) আজ্ঞাবাচক বাক্য ঃ**

(১) ককায়েকে তাক ক'লে, "ব্যাকৰণ মন দি পঢ়।"
ককায়েকে তাক ক'লে সি যেন মন দি ব্যাকৰণ পঢ়ে।
বা, ককায়েকে তাক ব্যাকৰণ মন দি পঢ়িবলৈ খাটিলে বা আজ্ঞা কৰিলে।

**(গ) প্ৰশ্নবাচক বাক্য ঃ**

(১) ৰীণাই শিক্ষকক ক'লে, "মই ঘৰলৈ যাব পাৰোঁনে?"
ৰীণাই শিক্ষকক তাই যাব পাৰেনে নোৱাৰে সুধিলে।
বা, ৰীণাই ঘৰলৈ যাবলৈ শিক্ষকক অনুমতি খুজিলে।
বা, ৰীণাই ঘৰলৈ যাব পাৰেনে নোৱাৰে শিক্ষকক সুধিলে।

(২) মাকে তাইক ক'লে, "সম্ভৱত তহঁত সুখী হৈছ।"
সম্ভৱ সিহঁত সুখী হৈছে বুলি মাকে তাইক ক'লে বা জনালে।
বা, মাকে তাইক ক'লে যে সম্ভৱতঃ সিহঁত সুখী হৈছে।

**২৬ ঃ ৬** আদেশ, অনুৰোধ, প্ৰশ্ন আদি বুজালে পৰোক্ষ উক্তিত একেটি বাক্যত পৰিণত হয়। যথা—

(১) পিতাকে সিহঁতক ক'লে, "কেতিয়াও মিছা কথা নক'বা।"
পিতাকে সিহঁতক কেতিয়াও মিছা কথা ক'বলৈ হাক দিছে।
বা, পিতাকে সিহঁতক কেতিয়াও মিছা কথা নক'বলৈ কৈছে।

(২) মগনীয়াজনে তাক ক'লে, "মোক এটি পইচা দিয়ক।"
মগনীয়াজনে তাক এটি পইচা খুজিলে।

(৩) শিক্ষকে মোক ক'লে, "তোমাৰ নাম কি?"
শিক্ষকে মোৰ নামটো সুধিলে।

**২৬ ঃ ৭** প্ৰত্যক্ষ উক্তিত ব্যৱহাৰ হোৱা ই, এই, ইয়াত, অ'ত, এতিয়া, আজি, কাইলৈ, কালি, অহা, আদি শব্দৰ ঠাইত যথাক্ৰমে সি, সেই, তাত, ত'ত, তেতিয়া, সেইদিনা, পাচদিনা, আগদিনা, যোৱা আদি শব্দ পৰোক্ষ উক্তিত ব্যৱহাৰ কৰা হয়। যথা—

১। হৰিয়ে ৰামক ক'লে, "ই ভাল নহয়।"
হৰিয়ে ৰামক ক'লে যে সি ভাল নহয়।

২। তাই ক'লে, "আজি ইয়ালৈ আমাৰ শিক্ষক আহিব।"
তাই ক'লে যে সেইদিনা তালৈ সিহঁতৰ শিক্ষক যাব।

৩। মই ক'লোঁ, "এই কিতাপখন এতিয়া তাক নালাগে।"
মই ক'লোঁ যে সেই কিতাপখন তেতিয়া তাক নালাগিছিল।

**২৬ ঃ ৮** প্ৰত্যক্ষ উক্তিত চিৰন্তন সত্য, স্বভাৱ নাইবা ঐতিহাসিক সত্য প্ৰকাশ কৰিলে, পৰোক্ষ উক্তিৰ প্ৰধান বাক্যত যি কোনো কালৰ ক্ৰিয়া থাকিলেও অপ্ৰধান খণ্ডবাক্যত সদায় নিত্য বৰ্তমান কালৰ ক্ৰিয়া হয়। যথা—

১। শিক্ষকে কৈছিল, "সূৰ্য পূব ফালে উদয় হয়।"
শিক্ষকে কৈছিল যে সূৰ্য পূব ফালে উদয় হয়।

২। তাই ক'লে "বাঘ হাবিত থাকে।"
তাই ক'লে যে বাঘ হাবিত থাকে।

৩। সি ক'লে, "লাচিতে মোগলক জয় কৰিছে।"
সি ক'লে যে "লাচিতে মোগলক জয় কৰিছিল।"

**২৬ ঃ ৯** পৰোক্ষ উক্তিৰ প্ৰধান বাক্যত অতীত কালৰ ক্ৰিয়া থাকিলে ভাব অনুসৰি কেতিয়াবা অধীন বাক্যৰ ক্ৰিয়া অতীত কালৰ হয়। যথা—

১। সি কৈছিল, "মই ঘৰতে আছোঁ।"
সি ঘৰতে আছিল বুলি কৈছিল।
বা, সি কৈছিল যে সি ঘৰতে আছিল।

২। ৰীণাই কৈছিল, "মই এতিয়াই চিঠিখন লিখিছোঁ।"
ৰীণাই তেতিয়াই চিঠিখন লিখিছিল (লিখা) বুলি কৈছিল।
বা, ৰীণাই কৈছিল যে তাই তেতিয়াই চিঠিখন লিখিছিল।

৩। মই কৈছিলোঁ, "তুমি ভাত খাই আছাঁ।"
মই কৈছিলোঁ যে তুমি ভাত খাই আছিলাঁ।
বা, তুমি ভাত খাই থকা বুলি মই কৈছিলোঁ।

DAILY ASSAM

## অনুশীলনী

১। প্ৰত্যক্ষ আৰু পৰোক্ষ উক্তি বুলিলে কি বুজাঁ? উদাহৰণ দি বুজাই দিয়াঁ।

২। ইচ্ছাবাচক, আজ্ঞাবাচক, সন্দেহবাচক আৰু প্ৰশ্নবাচক বাক্যৰ উক্ত পৰিৱৰ্তন হ'লে বাক্যৰ কেনে পৰিৱৰ্তন হয় উদাহৰণ দি বুজাই দিয়াঁ।

৩। প্ৰত্যক্ষ উক্তিক পৰোক্ষলৈ আৰু পৰোক্ষ উক্তিক প্ৰত্যক্ষ উক্তিলৈ পৰিৱৰ্তন কৰাঁ।

(ক) তেওঁ মোক সদায় কৈছিল, "সকলে পৰা কাম কৰা অভ্যাস কৰিবাঁ।"

(খ) তেওঁ মোক পুৱা-গধূলি লিখা-পঢ়া কৰিবলৈ উপদেশ দিছিল।

(গ) তাই ক'লে, "আজি আমাৰ ইয়ালৈ কোন কোন আহিব।"

(ঘ) মই তাক ক'লোঁ, "তহঁতৰ শিক্ষক আৰু এজন বন্ধু আহিব।"

(ঙ) তেওঁ ক'লে বোলে অসমৰ মানুহবোৰ বৰ অতিথিপৰায়ণ।

(চ) ৰীণাই মোক তাইৰ ঘৰলৈ এবাৰ যাবলৈ অনুৰোধ কৰিলে।

(ছ) তাই ক'লে, "মনত ৰাখিবাঁ, তুমি অসমৰ বীৰ সন্তান।"

(জ) মই ক'লো, "সাৱধান, যেনে তেনে কাম নকৰিবি।"

(ঝ) সি মোক দেউতাৰ নামটি সুধিলে।